بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**জলছা ছালানা বৃটেইন ২০২৪ চনৰ বিষয়ে অৱতীৰ্ণ হোৱা কিছুমান ঐশ্বৰিক কৃপা সম্পৰ্কিত আৰু অতিথি সকল লগতে অ-আহমদী অতিথি সকলে প্ৰভাৱিত হৈ প্ৰকাশ কৰা কিছুমান ভাষ্যৰ বৰ্ণনা**

**ছৈয়্যদিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২ আগষ্ট ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আলহামদুলিল্লাহ যোৱা সপ্তাহত বৃটেইনৰ বাৎসৰিক জলছা আল্লাহ তা'লাৰ কৃপাৰ কিৰণ প্ৰদৰ্শন কৰি সাফল্যমণ্ডিত হৈছে। এই তিনিটা দিন বৰ বৰকত পূৰ্ণ আছিল যিয়ে নিজৰ ওপৰত আৰু অপৰজনৰ ওপৰতও বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। কিছুমান অ-আহমদী লোকৰ প্ৰভাৱিত মনৰ অৱস্থা আৰু কথাবোৰ ইয়াতে বৰ্ণনা কৰিম। তাৰ আগতে মই কৰ্মী বৃন্দৰ শলাগ ল'ব বিচাৰিছো যিসকলে জলছাৰ আগত আৰু জলছাৰ সময়ত এই ব্যৱস্থাপনা চলাই নিবলৈ আপ্ৰাণ চেষ্টা কৰি নিজৰ দায়িত্ব পালন কৰিছে। বাকী কাম বিলাক তেওঁলোকে এতিয়াও কৰি আছে। আল্লাহ তা'লাৰ কৃপাত জামাতৰ সদস্য বৃন্দ পুৰুষ মহিলা নিৰ্বিশেষে সকলোৰ গুণাৱলী সম্পৰ্কে অমুছলিম আৰু অ-আহমদী লোক সকলে প্ৰশংসা কৰিছে। এই কাৰ্যাৱলী সমূহে নীৰৱ তবলিগৰ কাম সমাধা কৰিছে যে এই কৰ্মী সকলে নিজৰ দায়িত্ব পালনৰ মাজেৰে সম্পাদিত কৰিছে। জলছাৰ সকলো বিভাগ যেনে প্ৰৱেশ দুৱাৰ,গেট,চাকি,পাৰ্কিং, বাবুৰ্চি খানা, খাদ্য বিতৰণ বিভাগ,ৰন্ধন বিভাগ ইত্যাদি সকলোৱে তবলিগৰ কামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ল'ৰা-ছোৱালী বিলাক পানী পান কৰোৱাৰ দায়িত্ব সুকলমে পালন কৰিছে। সকলো বিভাগেই তৎপৰতাৰে নিজৰ কাৰ্য সম্পাদন কৰাৰ কাৰণেই তেওঁলোকে প্ৰশংসাৰ অধিকাৰী হৈছে।

বহুতো লোকে এই সম্পৰ্কে কৰ্মী বৃন্দৰ প্ৰশংসামুখৰ হৈ লিখি পঠিয়াইছে আৰু নিজেও প্ৰভাৱিত হোৱা বুলি স্বীকাৰ কৰিছে। বিশ্বৰ প্ৰান্তে বহি জলছাৰ প্ৰোগ্ৰাম শুনি থকা লোক সকলেও প্ৰশংসা কৰিছে যে

এম,টি,এৰ জৰিয়তে আমাক জলছাৰ প্ৰোগ্ৰাম সমূহ নিয়াৰিকৈ দেখুৱা হৈছে। গতিকে মই সকলো কৰ্মী বৃন্দৰ শলাগ লৈছো। এইবাৰৰ জলছাত মৰিছাছৰ কিছুমান খুদ্দাম স্বেচ্ছা কৰ্মী হিচাপে আহি যোগদান কৰিছিল। কানাডাৰ পৰাও আহিছিল। আল্লাহ তা'লা তেওঁলোকক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

প্ৰেছ বিভাগ আৰু মিডিয়া এইবাৰ বহুত মিলিত হৈছিল। যান-বাহন ব্যৱস্থা উন্নত হৈছিল। প্ৰতিবেশী সকলেও যুগ্ধ হৈছে। এওঁলোকৰ ধাৰণা মতে এইবছৰ জন সমাগম কম হৈছে যাৰ ফলত যান-বাহন চলাত সুবিধা হৈছে। দৰাচলতে এই বাৰৰ জলছাত মানুহ যোৱা বছৰতকৈ দুহেজাৰ বেছিহে হৈছে। এই সম্পৰ্কে যেতিয়া তেওঁলোকক জনোৱা হয় তেওঁলোকে শুনি আচৰিত হৈ পৰে আৰু কয় মাশা আল্লাহ বৰ ভাল ব্যৱস্থাপনা আছিল। এই অঞ্চলৰে এজন কাউন্সিলৰ, তেওঁ আহমদী লোক হয় আৰু মুৰববী সকল, তেওঁলোকে প্ৰতিবেশী সকলৰ লগত ভাল সম্পৰ্ক গঢ়ি তুলিছে। ট্ৰাফিক পৰিকল্পনা বিভাগেও ভাল ব্যৱস্থাপনা হাতত লৈছিল। আল্লাহ তা'লাই তেওঁলোকক ভাল ফলাফল দান কৰক।

আল্লাহ তা'লা মন্তব্য প্ৰদান কাৰী সকলৰ হৃদয় উন্মোচন কৰি দিয়ক আৰু তেওঁলোকে যেন পয়গামে আহমদীয়তৰ প্ৰকৃত অৰ্থ বুজি পায় আৰু আমি যেন সেই উদ্দেশ্য সফল কৰোঁতা হওঁ যি হজৰত মছীহ মাওউদ (আঃ)ৰ আগমনৰ উদ্দেশ্য আছিল। আকৌ কেৱল এই তিনিটা দিনেই নহয় বৰং এইবোৰক প্ৰত্যেকৰে জীৱনৰ এটা অংশ বনাই ল'ব লাগিব।

ফ্ৰণ্চগিয়ানৰ পৰা ইছমাইল চাহাব জলছাত যোগদান কৰিছিল। জলছাৰ সময়ত তেওঁ বয়াত কৰাৰ তৌফিক লাভ কৰিছে। তেওঁ কৈছে যে মই জীৱনত এনেকুৱা অনুষ্ঠান, য'ত বিশ্বৰ প্ৰসিদ্ধ ভাষা-ভাষীৰ লোক সকলে আহি জমা হয়, কেতিয়াও দেখা নাই। এই জলছাত যোগদান কৰি খাকছাৰৰ ঈমান বিশ্বাসলৈ পৰিৱৰ্তিত হৈছে যে এয়া সত্য আৰু মহম্মদ (ছাঃ)ৰ ভৱিষ্যদ্বাণীৰ আধাৰত প্ৰতিষ্ঠিত হোৱা জামাত। যদি আমি আমাৰ নবী (ছাঃ)ৰ আহ্বানত সহাৰি জনাই মছীহ মাওউদ (আঃ)ক (ইমামুম জামান) যুগ ইমাম মানি নলও তেন্তে আমি পথভ্ৰষ্ট হৈ যাম।

জাপানৰ পৰা অহা এজন বুদ্ধিষ্ট চিফ প্ৰেষ্ট চাহাবে কয় যে প্ৰথম দিনৰ পৰা অন্তিম দিনলৈ কৰ্মীবৃন্দৰ মনোযোগী আনন্দ আৰু আগ্ৰহ একেই আছিল। তেওঁলোকৰ লগত সাক্ষাৎ কৰিছে আৰু মই তেওঁক কৈছো যে এক খোদাৰ ওপৰত ঈমান ৰখাৰ প্ৰয়োজন আছে, এই বিষয়ে চিন্তা কৰক। তেওঁ কৈছিল যে মই বুদ্ধ ধৰ্মৰ অনুসাৰী হোৱা হেতুকে এক খোদা মানি নলওঁ। কিন্তু মোৰ অন্তৰে কয় এই বিশ্বব্ৰহ্মাণ্ডৰ এজন সৃষ্টিকৰ্তা আছে, মালিক আছে আৰু আমি সকলোৱে তাৰেই সৃষ্ট জীৱ আৰু আমি সেই সৃষ্টিকৰ্তা, পলানকৰ্তাৰ নৈকট্য লাভ কৰিব পাৰি। যিয়েই নহওঁক অলপ হলেও তাৰ মাজত আল্লাহ তা'লাৰ ফালে খোজ দিয়াৰ ধাৰণা জন্মিছে।

কুছ্ওৱাৰ এজন অতিথিয়ে কৈছে যে খলিফা ওয়াক্তৰ ভাষণ শুনি নিজৰ মাজত এটা পৰিৱৰ্তনৰ আৱিৰ্ভাৱ ঘটা দেখিবলৈ পাই আছো। ইয়াৰে পৰিৱেশ মোৰ হৃদয়ৰ ইছলাম আহমদীয়তৰ ফালে আকৰ্ষিত কৰিম যে আহমদীয়তৰ প্ৰকৃত শিক্ষা সম্পৰ্কে পঢ়ক।

চিলৰ ন্যাশনাল হুকুমতৰ ডিৰেক্টৰ অফ ওৰশ্বিপ পদবীদাৰ হিচাপে কাম কৰা এজন অতিথিয়ে কৈছে যে মই মোৰ দেশত জামাতে আহমদীয়াৰ সম্পৰ্কে আমাৰ তাৰে এটা মুছলিম সংগঠনক সুধিছিলো তেওঁলোকে কৈছে সকলো ইয়াৰ বিপৰীতে কৈছে। তেওঁলোকে কৈছে জামাত আহমদীয়াৰ লোক মুছলমান নহয়। জলছাত আহি আপোনালোকৰ খলিফাক লগ পালো। এতিয়া মই আপোনালোকৰ কথা দিছো মই মোৰ

জনাখিনি মোৰ সতীৰ্থৰ আগত প্ৰকাশ কৰিম যে আহমদী সকলে কেৱল মুছলমানেই নহয় বৰং তেওঁলোক উত্তম আৰু দৃষ্টান্তকাৰী মুছলমান হয়।
হলেণ্ডৰ এজনী মহিলাই কয় যে এই জলছাত বিশ্বৰ বিভিন্ন অঞ্চলৰ পৰা বহু লোক আহি জমা হৈছে ইয়াতে আচৰিত ভাতৃত্ববোধৰ দৃশ্য দেখিবলৈ পোৱা গৈছে। আলমি বয়াতৰ দৃশ্য গোটেই সহানুভূতিৰ জন্ম দিয়ক, যেনেকৈ আজি জামাত আহমদীয়াই কৰি আছে, তেহে নিশ্চয় বিশ্বৰ সমস্যা দূৰীভূত হ'ব।

আৰ্জেণ্টিনাৰ ন্যাশনাল ছেক্ৰেটাৰী অফ ওৰশ্বিপৰ প্ৰতিনিধিত্বত অহা এজন অতিথিয়ে বৰ্ণনা কৰে যে মই আপোনালোকৰ জামাতৰ জলছা বৰ সূক্ষ্ম দৃষ্টিৰে চাইছো, তাতে দেখিবলৈ পাইছো যে আপোনালোকে বৰ শৃংখলাপূৰ্ণ আৰু সুন্দৰ ভাৱে এই ডাঙৰ সংখ্যাৰ লোকৰ বাবে সকলো ব্যৱস্থাই কৰিছে, যিটো আমাৰ দেশত কৰাটো সম্ভৱ নহয়। খলিফাই মহিলা সকললৈ প্ৰদান কৰা ভাষণ মোৰ ভাল লাগিছে। আপোনালোকে সমাজৰ প্ৰতিবন্ধকতা আৰু পশ্চিমীয়া দেশৰ প্ৰভাৱ থকা সত্বেও নিজৰ নীতি অটুট ৰাখিছে।

তাইবানৰ পৰা অহা মহিলা ডাক্তৰ এজনীয়ে কয় যে মই জীৱনত ইমান ডাঙৰ সভা কেতিয়াও দেখা নাছিলো, যাৰ পৰিচালনা স্বেচ্ছাকৰ্মী সকলে কৰিছে। লাজনালৈ দিয়া ভাষণৰ সময়ত মোৰ অনুমান হয় যে আহমদী ছোৱালী আৰু ল'ৰাবোৰে নিজৰ খলিফাক বৰ ভাল পায়।

কানাডাৰ পৰা অহা এজন অতিথি ইয়াছিন আহমদ চাহাবে কয় যে মই আহমদীয়া জলছাক ধৰ্মীয় ক্ষেত্ৰত বিবেক বুদ্ধিৰ পৰিচায়ক পাইছো। আহমদী সকলৰ মৰ্যদা, কাজকৰ্ম, ধৈৰ্য, সহানুভূতি ইছলামী শিক্ষাৰ ব্যাখ্যাই শত শত বছৰৰ ধৰ্মীয় অনৈক্য, মৰা-মৰি জুলুম অত্যাচাৰৰ পিছত ইলাহি ছায়াৰ এক শান্তিপূৰ্ণ জীৱন দান কৰিছে।

উৰুগুৱেৰ এজন অ-আহমদী জাৰ্নালিষ্ট অতিথিয়ে কয় যে এই জলছায় মোৰ আধ্যাত্মিকতাৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। মোৰ আটাইতকৈ মনত ৰাখিবলগীয়া সময়টো হ'ল সকলো লোকে দোৱাৰ সময়ত আল্লাহ তা'লাৰ সপীপত ক্ৰন্দন কৰোঁতে দেখিছো।

কষ্টাৰিকাৰ পৰা অহা এজন অতিথিয়ে কয় যে জলছা ছালানাত অংশগ্ৰহণ কৰি মই বৰ আচৰিত হৈছো আৰু আনন্দিতও হৈছো যে জামাতে আহমদীয়াৰ পুৰুষ, মহিলাক সমানে কামৰ দায়িত্ব দিয়া হয়।

আইচল্যাণ্ডৰ এজন অতিথিয়ে কয় যে জলছাৰ ইমান ডাঙৰ সমাগমনতও পৰ্দাৰ প্ৰতি দৃষ্টি ৰখা হয়, এয়া কোনো সাধাৰণ কথা নহয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে তানজানিয়া, ছেৰালিউন, স্পেইন,ব্ৰাজিল,পোলেণ্ড আৰু অন্যান্য দেশৰ অতিথি সকলৰ মন্তব্য বৰ্ণনা কৰাৰ পিছত কয় যে এয়া অলপ কেইটামান বৰ্ণনা মই আগবঢ়াইছো বাকী আৰু বহুতো অতিথিৰ মন্তব্য ৰৈ আছে। ছালানা জলছাৰ ফলাফলত বয়াতৰ ৰিপোৰ্ট এনেদৰে আহিছে যে গিনি বছাৰও এখন গাঁৱৰ পঞ্চাছজন লোক একেলগে বয়াত কৰিছে। তানজানিয়াৰ এখন গাঁৱৰ মছজিদৰ ইমাম, নাইজেৰিয়াৰ এখন মাদ্ৰাছাৰ শিক্ষয়ত্ৰীয়ে বয়াত কৰিছে। কঙ্গো ব্ৰাজৱেলৰ ১২ জন লোক জলছাৰ সময়ত বয়াত গ্ৰহণ কৰিছে। বৃটেইনৰ তবলিগ বিভাগে ৰিপোৰ্ট দিছে যে জলছাৰ সময়ত বৃটেইনৰ সৈতে সম্পৰ্ক ৰখা বাইছ জন লোকে বয়াত গ্ৰহণ কৰিছে। মুঠতে এহেজাৰ অ-আহমদী লোক জলছাত অংশ গ্ৰহণ কৰিছিল।

অনলাইন কোৱেজৰ ৰিপোৰ্ট হল এয়া যে এই বছৰ পঞ্চাশটা ওয়েব ছাইটত জলছাৰ খবৰ পঢ়োতাৰ সংখ্যা প্ৰায় পোন্ধৰ মিলিয়ন প্ৰিণ্ট কোৱেজ মজামিনৰ সংখ্যা চৈধ্য আৰু এই বাতৰি কাকতৰ পঢ়াৰ সংখ্যা প্ৰায় পাঁচ মিলিয়ন বুলি জনোৱা হৈছে। টি.ভি আৰু ৰেডিঅৰ জৰিয়তে দেখা লোকৰ সংখ্যা দহ মিলিয়ন

হ'ব। বিভিন্ন ৰেডিঅ চেণ্টাৰৰ জৰিয়তে শুনোতাৰ সংখ্যা হ'ব প্ৰায় দহ মিলিয়ন। এনেদৰে মেগাজিন,ফটো, ইতিহাস আৰু অন্যান্য বিভাগৰ প্ৰদৰ্শনী চাই বহুতো লোক প্ৰভাৱিত হৈছে। এই প্ৰদৰ্শনীবিলাকও তবলিগৰ মাধ্যম হিচাপে পৰিগণিত হৈছে। আল্লাহ তা'লাৰ কৃপাত অনুমান প্ৰায় ৪৬ মিলিয়ন লোকে এই জলছাৰ প্ৰোগ্ৰাম শুনিছে আৰু দেখিছে। আগলৈ আৰু বেছি কোৱেজ হোৱাৰ সম্ভাৱনা আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাৰ কৃপাত য'ত এই জলছা নিজৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা হৈছে আৰু ৰূহানিয়তৰ ক্ষেত্ৰত উন্নতিৰ কাৰক হৈছে, তাতে লগতে বেলেগ লোকৰ বাবে ইছলামী শিক্ষা জনাৰ আৰু তেওঁলোকক খোদা তা'লাৰ ফালে লৈ অনাৰ উপায় উলিয়াইছে। গতিকে আমি আৰু বেছি বেছি আল্লাহ তা'লাৰ আগত নতশিৰ হোৱা উচিত। তাৰ শলাগ লোৱা উচিত। লগতে এই শপত হৃদয়ত বান্ধি লোৱা উচিত যে আমি সদায় আল্লাহ তা'লা আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ পয়গাম লোকলৈ পৌচাই দিয়াৰ চেষ্টা কৰিব লাগিব। আল্লাহ তা'লা আমাক এই কামৰ বাবে তৌফিক দান কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 2 AUG 2024

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা